**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। আজি পহিলা ব'হাগ। অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটোত বছৰটোলৈ কুশল কামনাৰে সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয়ত ভক্তৰ সমাগম।

২। অসম সাহিত্য সভাৰ পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে উদযাপন।

৩। মাৰ পিপ'লচ কনভেনচন ডেমক্ৰেটিকৰ লালমিং থাংগাং সনাতে নেতৃত্বাধীন গোটৰ সৈতে মিজোৰাম চৰকাৰৰ ঐতিহাসিক চুক্তি।

৪। বিজেপি নেতা সম্ৰাট চৌধুৰীৰ আজি বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণৰ কাৰ্যসূচী। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা কলকতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে চেন্নাই ছুপাৰ কিংছৰ ৩২ ৰানত জয়লাভ।

০০০০০০

আজি পহিলা ব'হাগ। ৰঙালী বিহুৰ দ্বিতীয় দিনটো আজি মানুহ বিহু হিচাপে পালনৰ বাবে ৰাজ্যজুৰি উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

*-বিহু মিউজিক-*

ৰঙালীৰ পদূলিত অসমীয়া নৱবৰ্ষক আদৰিবৰ বাবে মাহ, হালধিৰে গা ধুই অসমবাসী সাজু হৈছে। বছৰটোলৈ নিজৰ লগতে পৰিয়াল তথা সমাজৰ কুশল কামনাৰ বাবে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয় আদিত বহু লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ মন্দিৰসমূহতো আজি পুৱাৰে পৰা নেদেখা জনৰ আশীষ লোৱাৰ বাবে বহু লোক সমবেত হৈছে। খানাপাৰা, গণেশগুৰি আৰু লতাশিলৰ গণেশ মন্দিৰ, শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোৱিন্দ মন্দিৰকে ধৰি ধৰ্মীয় স্থানসমূহত বহু লোকে সেৱা জনাইছে। গোৱালপাৰা জিলাৰ শোলমাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰী মা শ্যামা কালী মন্দিৰত পুৱাৰে পৰা ভক্তিপ্ৰাণ ৰাইজে ভিৰ কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস ল'ব। পিঠা-পনা, জা জলপানেৰে অতিথি আপ্যায়নৰ বাবে প্ৰতিগৰাকী অসমীয়া উৎসাহেৰে সাজু হৈছে। ৭ বিহুলৈ চলিবলগীয়া এই উৎসৱমুখৰ সময়ৰ আনন্দ ভগাই ল'বলৈ জনসাধাৰণৰ উৎসাহেৰে সাজু হৈছে। বিহুৰ বাবে প্ৰয়োজনীয় বিবিধ সামগ্ৰীৰে বজাৰসমূহ উভৈনদী হৈ পৰিছে। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। কালি গুৱাহাটীৰ জজ খেলপথাৰত সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ মুকলি বিহু কাৰ্যসূচী ৰূপায়ণ কৰে। মাজুলীৰ সত্ৰসমূহৰ লগতে উজনি অসমৰ আটাইকেইখন জিলা আৰু নামনি অসমতো বিহু উপলক্ষে আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। গোলাঘাট জিলাত মানুহ বিহু পালন সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা হিৰণ্য গগৈ–

***-ভইচ-***

শিৱসাগৰ জিলাত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু ৰংপুৰবাসীৰ সহযোগত ৰংঘৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু পালন কৰিবলৈ লোৱা হৈছে। আজি পুৱা বিহুৰ

পতাৰা উত্তোলনেৰে উৎসৱৰ পাতনি মেলা হ'ব। পুৱা ১০ বজাত প্ৰতিকী স্বৰ্গদেউক লৈ ঐতিহাসিক তলাতল ঘৰৰ পৰা ৰংঘৰ বাকৰিলৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সাংস্কৃতিক অনুষ্ঠানত বিহু হুচৰি, টাই বিহু, গাভৰু বিহু দল আৰু ১০০ গৰাকী ঢুলীয়া-নাচনীয়ে বিহু নাচ প্ৰদৰ্শন কৰাৰ লগতে জনপ্ৰিয় শিল্পীয়ে গীত পৰিৱেশন কৰিব। অনুষ্ঠানত ৰংঘৰৰ ৰংশিঙা শীৰ্ষক স্মৃতিগ্ৰন্থ অসম সাহিত্য সভাৰ সভাপতি ডº বসন্ত কুমাৰ গোস্বামীয়ে উন্মোচন কৰিব। লোকসংস্কৃতিৰ সাধক দিজেন গগৈক এই অনুষ্ঠানতে সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

কামৰূপ জিলাতো বিগত বছৰৰ দৰে পৰম্পৰা ৰক্ষা কৰি ৰঙালী বিহুৰ আয়োজন কৰা হৈছে। ৰঙিয়া মহকুমা ৰঙালী বিহু সন্মিলনীয়ে অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি বিহু, জ্যেষ্ঠজনক সেৱা আৰু কণিষ্ঠজনক আশীৰ্বাদ প্ৰদান, জেং বিহু আদিৰ আয়োজন কৰিছে। পূব ৰঙিয়া প্ৰগতি সংঘতো বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। ইপিনে অসমীয়া নতুন বছৰৰ প্ৰথম দিন উপলক্ষে আজি বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত সিদ্ধিদাতা গণেশ পূজাৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি ডেকা-বুঢ়া সকলোৰে মিলি হুঁচৰি গোৱা পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে। বিভিন্ন অঞ্চলত বিহু উপলক্ষে পৰম্পৰাগত খেল-ধেমালি, বিহুনাচ, ঢোলবাদন, পেঁপাবাদন, পিঠা-পনা প্ৰস্তুত কৰা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাই মুকলি বিহু উদযাপনৰ সৈতে সংগতি ৰাখি আজি বিশিষ্ট সমাজসেৱক তথা শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামীক পাঠশালা বঁটাৰে সন্মানিত কৰিব।

বাক্সা জিলাত আজি পহিলা ব'হাগ উপলক্ষে কণিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীষ লৈছে। তদুপৰি বিহুৱান বিনিময় কৰি পৰম্পৰা পালন কৰিছে। এই সন্দৰ্ভত এয়া আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰ ঃ

***-ভইচ কাষ্ট-***

ধুবুৰী জিলাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত ধুবুৰী কেন্দ্ৰীয় ৰঙালী বিহু উদযাপন সমিতিয়ে কালি তিনিদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আজি ধুবুৰীত বিহু উপলক্ষে জনসাধাৰণৰ মাজত পাৰভঙা উচাহ পৰিলক্ষিত হৈছে। ঢোল-পেঁপা, গগনাৰ শব্দত চৌদিশ ৰজন ৰজাই উঠিছে। আজি দিনজোৰাকৈ মুকলি বিহু অনুষ্ঠিত হ'ব। এই বিহুত কেইবাটাও বিহু দলৰ লগতে জনগোষ্ঠীয় লোকনৃত্যৰ দলে দৃষ্টিনন্দন নৃত্য পৰিৱেশন কৰিব। সত্ৰ নগৰী বৰপেটাত সত্ৰীয়া পৰম্পৰাৰ লগতে লোকাচাৰ অটুত ৰাখি আজি দোমাহী পালন কৰা হৈছে। এই সন্দৰ্ভত এয়া আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপ জ্যোতি মহন্ত–

***-ভইচ কাষ্ট-***

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই পহিলা ব'হাগ আৰু অসমীয়া নৱবৰ্ষ উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ ওলগ জনাইছে। সামাজিক মাধ্যম যোগে মুখ্যমন্ত্ৰীয়ে এই শুভ দিনটোত সকলোৰে জীৱন পোহৰময় হোৱাৰ কামনা কৰে। মুখ্যমন্ত্ৰীয়ে পয়লা বৈশাখ আৰু বড়ো জনগোষ্ঠীৰ লোকসকলৰ আজি খেৰাই পূজা উপলক্ষে সকলোৰে কুশল-মংগল কামনা কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব'হাগ বিহু তথা অসমীয়া নৱবৰ্ষ উপলক্ষে ৰাইজলৈ আন্তৰিক প্ৰীতি শুভেচ্ছা জ্ঞাপন কৰিছে।

oooooo

অসম সাহিত্য সভাই আজি পহিলা ব'হাগৰ দিনটো **নিজৰ দিন** হিচাপে উদযাপন কৰিব। সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই প্ৰকাশ কৰা মতে ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক আজি পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজাৰ ভিতৰত সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰিব। নিজৰ দিন উপলক্ষে ৰাজ্যৰ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশত বাস কৰা ৬৫ বছৰ উৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হ'ব। অসম সাহিত্য সভাৰ উদ্যোগত আজি ব'হাগৰ পহিলা দিনটোত ১৪৩৩

ভাস্কৰাব্দলৈ আদৰণি আৰু ভাস্কৰাব্দ সূচনা দিৱস শীৰ্ষক এটা অনুষ্ঠানৰো আয়োজন কৰা হৈছে। গুৱাহাটীৰ আমবাৰীস্থিত সংগীতাচাৰ্য লক্ষ্মীৰাম সদনত এই অনুষ্ঠানটি আয়োজন কৰা হৈছে।

০০০০০০

বড়ো জনগোষ্ঠীৰ লোকসকলে কালিৰে পৰা বৈশাগু উৎসৱ পালন কৰিছে। এই উপলক্ষে আজি বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব। বাক্সা জিলাৰ গধূলি গাঁৱৰ কৃষক ৰাইজে কালি কালদিয়া নদীলৈ গৈ গৰু গা ধুৱাই পৰম্পৰাগত ৰীতি-নীতিৰে খাম, চিফুং, চেৰজাৰ তালে তালে বৈশাগু নৃত্য কৰে। একেদৰে জিলাখনৰ সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত  বৈশাগু উৎসৱৰ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ চানদ্ৰুপ জাংখাৰত কালি গৰু বিহুৰ লগতে ৰংজালি বৈশাগু পালন কৰা হয়। বি টি চিৰ উপাধ্যক্ষ বিজিত গৌড়া নাৰ্জাৰীপ উদ্যোগত আয়োজিত এই অনুষ্ঠানত বিহু, বৈশাগু আৰু ভূটানৰ সংস্কৃতিৰ সুন্দৰ সমন্বয় পৰিলক্ষিত হয়। ভূটানৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে এই উৎসৱ পালন  কৰা হয়।

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু উৎসৱ পালনৰ বাবে সাজু হৈছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে। আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিযুৱা উদযাপন কৰিব।

০০০০০০

মিজোৰাম চৰকাৰে কালি মাৰ পিপ'লচ কনভেনচন ডেমক্ৰেটিকৰ লালমিং থাংগাং সনাতে নেতৃত্বাধীন গোটৰ সৈতে এখন ঐতিহাসিক চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ ফলত ৰাজ্যখনত সন্ত্ৰাসবাদৰ সম্পূৰ্ণৰূপে অন্ত পৰিছে। দ্বিপাক্ষিক চুক্তিখনত পৰিষদৰ বাবে আৱণ্টিত বাজেট বৃদ্ধি, বিশেষ উন্নয়ন পেকেজ, আন্তঃগাঁথনি উন্নয়ন আৰু যোগাযোগ বৃদ্ধিসহ মিজোৰামৰ উত্তৰ আৰু উত্তৰ-পূব অংশৰ হমাৰ বসতি প্ৰধান ছিনলুং পাৰ্বত্য পৰিষদ অঞ্চলৰ সৰ্বাত্মক উন্নয়নত গুৰুত্ব আৰোপ কৰা হৈছে।

চুক্তিখনত ৫ ডিচেম্বৰত উদযাপন কৰা  সৰ্ববৃহৎ আৰু গুৰুত্বপূৰ্ণ হমাৰ মহোৎসৱক ছিকপুই ৰুঅ'ইৰ মৰ্যাদা দিয়াৰ ব্যৱস্থা কৰা হৈছে। কৰৰডাইত আয়োজিত এটা অনুষ্ঠানত মিজোৰামৰ গৃহ সচিব ডেভিড লালথনলুৱাংগাই ৰাজ্য চৰকাৰৰ হৈ আৰু মাৰ পিপ'লচ কনভেনচন ডেমক্ৰেটিকৰ অধ্যক্ষ সনাতে গোটটোৰ হৈ চুক্তিত স্বাক্ষৰ কৰে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ উপদেষ্টা আৰু বিধায়ক লালমুৱানপুইয়া পুন্তে, গৃহ মন্ত্ৰালয়ৰ জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে। চুক্তি অনুসৰি সনাতে নেতৃত্বাধীন মাৰ পিপ'লচ কনভেনচন ডেমক্ৰেটিক গোটটোৰ সদস্যসকলে অস্ত্ৰ সম্বৰণ কৰিব আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপ পৰিহাৰ কৰি সমাজৰ মূলসুঁতিলৈ উভতি আহিব।

০০০০০০

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৫ খন উপত্যকা জিলাত মোবাইল ডাটা সেৱা কাইলৈ পৰ্যন্ত বন্ধ ৰখাৰ বাবে নিৰ্দেশ দিছে। ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ খন উপত্যকা জিলা পশ্চিম ইম্ফল, পূব ইম্ফল, কাকচিং, থৌৱাল আৰু বিষ্ণুপুৰত যোৱা ৭ এপ্ৰিলৰ পৰা এই সেৱা বন্ধ ৰখা হৈছিল যদিও পুনৰ দুদিনৰ বাবে এই সেৱা বন্ধ ৰখা হৈছে। উল্লেখযোগ্য যে, ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত যোৱা ৬ এপ্ৰিলৰ নিশা অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৰে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হয়।  আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা বোমা উদ্ধাৰ কৰি নিষ্ক্ৰীয় কৰে। এই ঘটনাৰ পাছতে ৰাজ্যখনৰ ৫ খন উপত্যকা জিলাত বহু লোকে প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে চি আৰ পি এফৰ চাউনীলৈ গৈ সুৰক্ষা বিচাৰি ধৰনি দিয়ে। সুৰক্ষা বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ লগতে শূন্যলৈ

গুলীচালনা কৰাত কেইবাগৰাকী প্ৰতিবাদকাৰী আহত হয়। ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। ৰাজ্যৰ গৃহ  বিভাগে ইয়াৰ পাছতে মণিপুৰত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা সাময়িকভাৱে বন্ধ ঘোষণা কৰে।

০০০০০০

ডিব্ৰুগড়ৰ মোহনবাৰীৰ ড° ভূপেন হাজৰিকা বিমান বন্দৰত নৱনিৰ্মিত এয়াৰ ট্ৰেফিক কন্ট্ৰ'ল তথা কমিউনিকেচন নেভিকেচন এণ্ড চাৰ্ভেলেঞ্চ কাৰ্য আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছে। ৩৭ কোটি টকা ব্যয়েৰে কৰা এই ব্যৱস্থাই অঞ্চলটোৰ আকাশীপথ পৰিচালনা অধিক প্ৰযুক্তি নিৰ্ভৰ আৰু আধুনিক কৰি তুলিব বুলি বিমান বন্দৰটোৰ প্ৰৱন্ধক ৰংগজিৎ সাহাই প্ৰকাশ কৰিছে। ইয়াৰ ফলত বিমান পৰিচালনা মসৃণ আৰু আৰু নিৰ্ভৰযোগ্য হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

আৰক্ষীয়ে কালি বৰপেটা ৰোডৰ আজাদ নগৰত অভিযান চলাই চাইবাৰ অপৰাধীৰ এটা ঘাটি উৎখাত কৰে আৰু ৮ জন লোকক আটক কৰে। বৰপেটাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত অভিযান চলাই চক্ৰটোক গ্ৰেপ্তাৰ কৰে। চক্ৰটোৱে আজাদ নগৰৰ এগৰাকী অৱসৰপ্ৰাপ্ত সেনা জোৱানৰ ঘৰ ভাড়াত লৈ দীৰ্ঘদিন ধৰি প্ৰৱঞ্চনাৰে ধন সৰকাই আহিছিল বুলি অভিযোগ উঠিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে কলকতা নাইট ৰাইডাৰ্ছক ৩২ ৰানত পৰাস্ত কৰে। খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৯২ ৰান কৰে। চেন্নাইৰ হৈ সঞ্জু ছেমচনে ৪৮, ডিৱাল্ড ব্ৰেভিছে ৪১ আৰু আয়ুষ মহাত্ৰেই ৩৮ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত কলকতা নাইট ৰাইডাৰ্ছে আৰম্ভণিৰে পৰা সংঘৰ্ষ কৰিবলগীয়া হয় আৰু নুৰ আহমেদৰ সুন্দৰ বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ৯১ ৰানতে ৬টা উইকেট হেৰুৱাই। ইয়াৰ পাছত ৰমনদ্বীপ সিং আৰু ৰোভমেন পাৱেলে সপ্তম উইকেটৰ যুটীত ৬৩ ৰান যোগ দিয়ে যদিও জয়ৰ বাবে পৰ্যাপ্ত নহয় আৰু দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬০ ৰানহে কৰিবলৈ সমৰ্থ হয়। কলকাতাৰ হৈ তিনিটা উইকেট দখল কৰা নুৰ আহমেদক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**